# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-06-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে কাইলৈ একেৰাহে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিব।

২। তেলেগু দেশম পাৰ্টিৰ ৰাষ্ট্ৰীয় সভাপতি এন চন্দ্ৰবাবু নাইডুৱে অহা বুধবাৰে অন্ধ্ৰপ্ৰদেশৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী হিচাপে শপত ল'ব।

৩। চত্তিশগড়ৰ বাস্তৰ জিলাত কালি সংঘটিত সংঘৰ্ষত ৫টা নক্সালবাদী নিহত হয়।

৪। চি বি আইয়ে ভূমিৰ বিনিময়ত চাকৰি কেলেংকাৰী গোচৰত প্ৰাক্তন ৰে'লমন্ত্ৰী লালুপ্ৰসাদ যাদৱ আৰু অন্যান্যসকলৰ বিৰুদ্ধে চূড়ান্ত অভিযোগনামা দাখিল কৰিছে।

*আৰু*

৫। স্পেইনৰ কাৰ্লোচ অলকৰাজ গাৰ্ফিয়াই ফ্ৰেন্স অপেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী পদৰ বাবে মনোনীত নৰেন্দ্ৰ মোদীয়ে কালি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰে আৰু চৰকাৰ গঠনৰ বাবে দাবী উত্থাপন কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কাইলৈ সন্ধিয়া ৭ বাজি ১৫ মিনিটত ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা অনুষ্ঠানত নৰেন্দ্ৰ মোদী আৰু তেওঁৰ মন্ত্ৰীসভাৰ সদস্যসকলক শপত বাক্য পাঠ কৰাব। ইয়াৰ পূৰ্বে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাৰ নেতৃত্বত এন ডি এ-ৰ এটা প্ৰতিনিধি দলেও ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰে আৰু নৰেন্দ্ৰ মোদীক বিজেপি সংসদীয় দলৰ নেতা বাছনি কৰা বুলি উল্লেখ কৰি এখন পত্ৰ প্ৰদান কৰে। এন ডি এৰ অংশীদাৰ দলসমূহৰ সমৰ্থনৰ পত্ৰও ৰাষ্ট্ৰপতিৰ ওচৰত অৰ্পণ কৰা হয়।

ৰাষ্ট্ৰপতি ভৱনৰ বাহিৰত শ্ৰীমোদীয়ে কয় যে এন ডি এই এখন শক্তিশালী, সুস্থিৰ আৰু বিকাশমুখী চৰকাৰ গঠন কৰিব। শ্ৰীমোদীয়ে কয় যে, ৰাষ্ট্ৰপতিয়ে তেওঁক কাৰ্যবাহী প্ৰধানমন্ত্ৰী হিচাপে মনোনীত কৰিছে আৰু তেওঁ ৰাষ্ট্ৰপতিক দেওবাৰে শপতগ্ৰহণ অনুষ্ঠানৰ আয়োজন কৰিলে কোনো অসুবিধা নাই বুলি অৱগত কৰিছে। ৰাষ্ট্ৰপতি ভৱনে এতিয়া শপতগ্ৰহণ অনুষ্ঠানৰ সবিশেষ যুগুত কৰিব আৰু তেতিয়ালৈকে মন্ত্ৰী পৰিষদৰ সদস্যসকলৰ নাম ৰাষ্ট্ৰপতিৰ ওচৰত দাখিল কৰা হ'ব বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে।

তেওঁ কয় যে, জনসাধাৰণে এন ডি এ চৰকাৰক আৰু এটা সুযোগ দিছে আৰু অষ্টাদশ লোকসভা নতুন আৰু যুৱ শক্তিৰ ভৰন। শ্ৰীমোদীয়ে কয় যে, তেওঁৰ চৰকাৰে দেশৰ জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰিব। তেওঁ

লগতে সুস্থিৰ চৰকাৰ দেশ, অৰ্থ ব্যৱস্থা আৰু যুৱ প্ৰজন্মৰ বাবে লাভদায়ক হিচাপে প্ৰমাণিত হ'ব বুলি প্ৰকাশ কৰে। শ্ৰীমোদীয়ে তেওঁৰ চৰকাৰে ৰাষ্ট্ৰৰ দ্ৰুত বিকাশৰ বাবে চেষ্টাৰ অকণো ত্ৰুটি নকৰে বুলি আশ্বাস দিয়ে। ৰাষ্ট্ৰপতি ভৱনে সামাজিক মাধ্যম যোগে কৈছে যে, ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি সংবিধানৰ ৭৫ (১) অনুচ্ছেদৰ অধীনৰ ক্ষমতা প্ৰয়োগ কৰি শ্ৰীমোদীক ভাৰতৰ প্ৰধানমন্ত্ৰী পদত নিযুক্তি দিছে। ৰাষ্ট্ৰপতিয়ে শ্ৰীমোদীক মন্ত্ৰী পৰিষদৰ অন্য সদস্যসকলৰ নাম আৰু ৰাষ্ট্ৰপতি ভৱনত হ'বলগীয়া শপতগ্ৰহণ অনুষ্ঠানৰ দিন-বাৰ-সময় সম্পৰ্কে পৰামৰ্শ আগবঢ়াবলৈ কৈছে।

ইয়াৰ পূৰ্বে এন ডি এৰ সংসদীয় দলে সৰ্বসন্মতিক্ৰমে নৰেন্দ্ৰ মোদীক ইয়াৰ নেতা বাছনি কৰিছে। নতুন দিল্লীৰ পুৰণি সংসদ ভৱনৰ কেন্দ্ৰীয় প্ৰেক্ষাগৃহত অনুষ্ঠিত এন ডি এৰ সংসদীয় দলৰ বৈঠকত বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙে শ্ৰীমোদীক এন ডি এৰ নেতা বাছনি কৰাৰ বাবে এটা প্ৰস্তাৱ উত্থাপন কৰে আৰু মিত্ৰজোঁটৰ সকলো সহযোগী দলৰ নেতৃবৰ্গই প্ৰস্তাৱটোৰ প্ৰতি সমৰ্থন আগবঢ়ায়। শ্ৰীমোদীক লোকসভাত বিজেপিৰ নেতা আৰু বিজেপিৰ সংসদীয় দলৰ নেতা হিচাপেও বাছনি কৰা হৈছে।

শ্ৰীমোদীৰ নাম প্ৰস্তাৱ কৰি কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙে কয় যে, তেওঁ এই পদৰ বাবে আটাইতকৈ উপযুক্ত ব্যক্তি। তেওঁ কয় যে, এন ডি এ মিত্ৰজোঁট বাধ্য-বাধকতা নহয়, বৰং আমাৰ প্ৰতিশ্ৰুতিহে। কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ আৰু নীতিন গাডকাৰীয়ে প্ৰস্তাৱটোৰ প্ৰতি সমৰ্থন আগবঢ়ায়।

প্ৰস্তাৱটোৰ প্ৰতি সমৰ্থন আগবঢ়াই কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে, এয়া অকল এন ডি এ সংসদীয় দলৰ বৈঠকত উপস্থিত থকা নেতাসকলৰেই নহয়, বৰং দেশৰ ১৪০ কোটি জনসাধাৰণৰ আকাংক্ষা।

আনহাতে, বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে কয় যে, প্ৰধানমন্ত্ৰী মোদীয়ে দেশক সমৃদ্ধিশালী আৰু মহা শক্তিৰূপে গঢ়ি তোলাৰ বাবে সম্পূৰ্ণ নিষ্ঠাৰে কাম কৰি আহিছে। তেলেগু দেশম পাৰ্টীৰ মুৰব্বী চন্দ্ৰবাবু নাইডুৱে কয় যে, এন ডি এ চৰকাৰে নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত বিগত ১০ বছৰত ভালেমান গুৰুত্বপূৰ্ণ পদক্ষেপ লৈছে। এই সময়ছোৱাত দেশ চমকপদ প্ৰগতি আৰু পৰিৱৰ্তনৰ সাক্ষী হৈছে বুলিও তেওঁ উল্লেখ কৰে।

প্ৰধানমন্ত্ৰী মোদীৰ প্ৰতি সমৰ্থন আগবঢ়াই বিহাৰৰ মুখ্যমন্ত্ৰী তথা জে ডি ইউৰ সভাপতি নীতিশ কুমাৰে কয় যে, আমি সকলো ঐক্যবদ্ধ হোৱাটো ভাল কথা আৰু আমি সকলোৱে এতিয়া নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কাম কৰি যাম।

এই উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে, এন ডি এ ক্ষমতাৰ বাবে একগোট হোৱা ৰাজনৈতিক দলৰ এটা গোট নহয়, বৰং ৰাষ্ট্ৰপ্ৰথম নীতিৰে কাম কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ এটা মিত্ৰজোঁট। দেশৰ ইতিহাসত এন ডি এ সবাতোকৈ সফল মিত্ৰজোঁট বুলি অভিহিত কৰি শ্ৰীমোদীয়ে কয় যে, সকলো সিদ্ধান্তৰ ক্ষেত্ৰত সহমতত উপনীত হোৱাই আমাৰ লক্ষ্য। তেওঁ কয় যে, দেশৰ জনসাধাৰণে ২২ খন ৰাজ্যত চৰকাৰ গঠনৰ জনাদেশ প্ৰদান কৰি এন ডি এক তেওঁলোকক সেৱা কৰাৰ সুযোগ দিছে। তেওঁ কয় যে এন ডি এ চৰকাৰ জনসাধাৰণৰ জীৱনত ন্যূনতম হস্তক্ষেপ, সুশাসন আৰু উন্নয়নত গুৰুত্ব আৰোপ কৰিব। তেওঁ কয় যে, বিগত ১০ বছৰত এন ডি এই দেশক সফলতাৰ নতুন শিখৰলৈ লৈ যোৱাৰ বাবে কাম কৰিছে।

বৈঠকত বিজেপিৰ সভাপতি জে পি নাড্ডা, কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেল, অনুৰাগ সিং ঠাকুৰ, এল জে পি আৰৰ মুৰব্বী চিৰাগ পাছোৱান, এন চি পিৰ নেতা অজিত পাৱাৰ, আৰ এল ডিৰ মুৰব্বী জয়ন্ত চৌধৰী, জনসেনাৰ

মুৰব্বী পৱন কল্যাণ, উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথ, অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ সিন্দে, মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী মোহন যাদৱ, গোৱাৰ মুখ্যমন্ত্ৰী প্ৰমোদ শাৱন্ত, মণিপুৰৰ মুখ্যমন্ত্ৰী এন বীৰেণ সিং আৰু গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেল প্ৰমুখ্যে ভালেমান নেতা উপস্থিত থাকে।

ooooo

তেলেগু দেশম পাৰ্টিৰ ৰাষ্ট্ৰীয় সভাপতি এন চন্দ্ৰবাবু নাইডুৱে অহা বুধবাৰে অন্ধ্ৰপ্ৰদেশৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিব। বিজয়ৱাড়াৰ সমীপত আয়োজিত শপতগ্ৰহণ অনুষ্ঠানত এন ডি এৰ ভালে কেইগৰাকী জ্যেষ্ঠ নেতা আৰু চুবুৰীয়া ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকল উপস্থিত থকাৰ সম্ভাৱনা আছে। এন ডি এ মিত্ৰজোঁটৰ সহযোগী দল তেলেগু দেশম পাৰ্টি, জনসেনা আৰু ভাৰতীয় জনতা পাৰ্টীয়ে ৰাজ্যখনৰ সদ্যসমাপ্ত বিধানসভা নিৰ্বাচনত ১৭৫ খন আসনৰ ভিতৰত ১৬৪ খনতে জয় লাভ কৰিছে।

ooooo

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কৈছে যে, বহু বছৰৰ পাছত কোনো এগৰাকী প্ৰধানমন্ত্ৰীয়ে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হৈছে। ৰাজ্যসভাৰ ইনৰ্টান শ্বীপ কাৰ্যসূচীৰ সামৰণি অনুষ্ঠানত উপ ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, ১৯৬২ চনত শেষবাৰৰ বাবে পণ্ডিত জৱাহৰলাল নেহেৰুৱে একেৰাহে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ কয় যে, সংসদ, গণতন্ত্ৰৰ মন্দিৰ, আলাপ-আলোচনা, তৰ্কৰ স্থান। উপ ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, যেতিয়াই তেওঁলোকৰ সন্দেহ হয় তেতিয়াই ভাৰতীয় সংবিধানৰ সহায় ল'ব লাগে।

ooooo

চত্তিশগড়ৰ বাস্তৰ জিলাত কালি সংঘটিত সংঘৰ্ষত ৫টা নক্সালবাদী নিহত হয়। নিহত নক্সালবাদীকেইটাৰ মৃতদেহ ঘটনাস্থলীৰ পৰা উদ্ধাৰ কৰা হৈছে। আৰক্ষী বিষয়াই জনোৱা মতে, নাৰায়ণপুৰ আৰু ধনতেৱাৰা জিলাৰ সীমান্ত অঞ্চলত এই সংঘৰ্ষৰ সূত্ৰপাত হৈছিল। গোৱেলৰ জংঘলত নক্সালবাদী কেইটা লুকাই থকা বুলি তথ্য লাভ কৰাৰ পাছতেই জিলা সংৰক্ষিত বাহিনী আৰু ভাৰত তিবৱত সীমা আৰক্ষী ITBP য়ে যুটীয়াভাৱে অভিযান চলায়। অভিযানৰ সময়ত গোৱেল জংঘলত সংঘটিত গুলীয়াগুলীৰ ঘটনাত জিলা সংৰক্ষিত বাহিনীৰ তিনিজন জোৱান আহত হয়। জানিব পৰা মতে অঞ্চলটোত এতিয়াও অভিযান অব্যাহত আছে।

ooooo

কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা চি বি আইয়ে ভূমিৰ বিনিময়ত চাকৰি কেলেংকাৰী গোচৰত প্ৰাক্তন ৰে'লমন্ত্ৰী লালুপ্ৰসাদ যাদৱ আৰু তেওঁৰ পৰিয়ালৰ সদস্য তথা আন কেইবাগৰাকীও ব্যক্তিৰ বিৰুদ্ধে চূড়ান্ত অভিযোগনামা দাখিল কৰিছে। বিশেষ আদালতে এই অভিযোগ নামাৰ সন্দৰ্ভত চিন্তা-চৰ্চা কৰাৰ বাবে ৬ জুলাই তাৰিখ নিৰ্ধাৰণ কৰি দিছে। ইয়াৰ পূৰ্বে ২০২৩ চনৰ ৪ অক্টোবৰত আদালতে এই গোচৰত প্ৰাক্তন ৰে'ল মন্ত্ৰী লালুপ্ৰসাদ যাদৱ বিহাৰৰ উপ মুখ্যমন্ত্ৰী তেজস্বী যাদৱ, ৰাবৰি দেৱী আৰু আন কেইবাগৰাকী ব্যক্তিৰ জামিন মঞ্জুৰ কৰিছিল। আন এটা গোচৰত চি বি আইয়ে সুৰা নীতি কেলেংকাৰি গোচৰত বি আৰ এছৰ নেতা কে. কবিতাৰ বিৰুদ্ধে এখন পৰিপূৰক অভিযোগনামা দাখিল কৰিছে।

ooooo

বিহাৰৰ মুখ্যমন্ত্ৰী তথা জে ডি ইউৰ প্ৰধান নীতিশ কুমাৰ আৰু মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী শিৱসেনা প্ৰধান একনাথ সিন্দে কালি নতুন দিল্লীত বিজেপিৰ সভাপতি জে পি নাড্ডাক সাক্ষাৎ কৰে। জে ডি এছৰ নেতা এইচ ডি কুমাৰাস্বামী

আৰু আৰ এল ডিৰ সভাপতি জয়ন্ত চৌধুৰীয়ে কালি শ্ৰীনাড্ডাক সাক্ষাৎ কৰে। বৈঠকত বিভিন্ন সন্দৰ্ভত আলোচনা কৰা হয়।

00000

স্পেইনৰ কাৰ্লোচ অলকৰাজ গাৰ্ফিয়াই ফ্ৰেন্স অপেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ ফাইনেলত প্ৰৱেশ কৰিছে। কাৰ্লোচ অলকৰাজে কালি ছেমি ফাইনেলত ইটালীৰ জানিক ছিনৰক ২-৬, ৬-৩, ৩-৬, ৬-৪, ৬-৩ ছেটত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

ইপিনে, কালি অনুষ্ঠিত আনখন ছেমি ফাইনেলত চতুৰ্থ বাছনিপ্ৰাপ্ত জাৰ্মানীৰ আলেকজেণ্ডাৰ জেৱৰেভে সপ্তম বাছনিপ্ৰাপ্ত নৰোৱেৰ কেস্পাৰ ৰুদক ৬-২, ৬-৪, ৬-২ ছেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। অলকৰাজ ফাইনেলত কাইলৈ আলেকজেণ্ডাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইফালে, প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ফাইনেল খেলখন আজি পোলেণ্ডৰ ইগা শ্বেটেক আৰু ইটালীৰ জেস্মিন পাঅ'লিনিৰ মাজত খেলোৱা হ'ব।

00000

ভাৰতৰ শীৰ্ষ বাছনিপ্ৰাপ্ত সুমিত নাগলে এ টি পি হাণ্ড্ৰেড ছেলেঞ্জাৰ্ছ টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। নাগলে কালি কোৱাৰ্টাৰ ফাইনেলত ৰাছিয়াৰ ইভান গাখোভক ৬-১, ৭-৬, ৭-৪ ছেটত পৰাভূত কৰে।

00000

**সমাপ্ত**